# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-05-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী নীতিৰ নতুন সংজ্ঞা দিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

২। ভাৰতে শান্তিৰ দৃষ্টিভংগী বৰ্তাই ৰাখি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিখুঁটভাৱে আক্ৰমণ চলাই নতুন গোলকীয় মান স্থাপন কৰিছে বুলি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে।

৩। মিজোৰামৰ কৃষি পদ্ধতি জনজাতিয় জীৱন শৈলীৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে আৰু ৰাজ্যখনৰ উন্নয়নত কৃষি খণ্ডই বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে উল্লেখ কৰিছে।

৪। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমীৰ জেলেনস্কিয়ে ইস্তানবুলত ৰাছিয়াৰ সৈতে হ'বলগীয়া শান্তিবাৰ্তাত অংশগ্ৰহণ নকৰে বুলি ঘোষণা কৰিছে।

*আৰু*

৫। বি চি চি আইয়ে আসন্ন ইংলেণ্ড ভ্ৰমণৰ বাবে মহিলা ক্ৰিকেট দলৰ খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী নীতিৰ নতুন সংজ্ঞা দিছে আৰু ভাৰতৰ ভূমিত হোৱা যিকোনো সন্ত্ৰাসবাদী আক্ৰমণক যুদ্ধ বুলি গণ্য কৰাৰ কথা স্পষ্ট কৰি দিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। তেওঁ লগতে সিন্দূৰ অভিযানক সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা ইতিহাসৰ সবাতোকৈ বৃহৎ ব্যৱস্থা বুলি অভিহিত কৰে। ইয়াক তেওঁ সন্ত্ৰাসবাদক পুলিয়ে পোখাই উৎখাত কৰাৰ বাবে যিকোনো পৰ্যায়লৈ যোৱাৰ দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰমাণ বুলি উল্লেখ কৰে। শ্ৰীনগৰৰ বাদামী বাগ ছাউনীত কালি সেনা জোৱানক উদ্দেশি ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে পাকিস্তানৰ পাৰমাণৱিক ব্লেকমেইল ভাৰত বিচলিত নোহোৱাৰ পৰা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ দৃঢ় সংকল্পৰ উমান পাব পাৰি। পাকিস্তানে কিদৰে বাৰে বাৰে দায়িত্বহীনভাৱে পাৰমাণৱিক আক্ৰমণৰ ভাবুকি প্ৰদান কৰিছে বিশ্বই সেয়া প্ৰত্যক্ষ কৰা বুলি শ্ৰীসিঙে মন্তব্য কৰে। তেওঁ কয়, যে পাকিস্তানৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰসমূহ আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাৰ নিৰীক্ষণত ৰখা উচিত। প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰি প্ৰতিৰক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে সম্ভৱ নহয় আৰু আলোচনা হ'লে অকল সন্ত্ৰাসবাদ আৰু পাকিস্তান অধিকৃত কাশ্মীৰকলৈহে হ'ব। জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহা, মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, স্থল সেনাৰ মুৰববী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী আৰু সেনা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকল অনুষ্ঠানত উপস্থিত থাকে।

০০০০০

ভাৰতে শান্তিৰ দৃষ্টিভংগী বৰ্তাই ৰাখি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিখুঁটভাৱে আক্ৰমণ চলাই নতুন গোলকীয় মান স্থাপন কৰিছে বুলি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। জয়পুৰত কালি বিয়লি ভেইৰো সিং শেখাৱট স্মাৰক পুস্তকালয় মুকলি কৰি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদ এতিয়া আৰু কোনো এখন দেশৰ উদ্বেগৰ বিষয় হৈ থকা নাই বৰং বিশ্ব সুৰক্ষাৰ বাবে ভাবুকি হৈ পৰিছে। তেওঁ লগতে কয়, যে প্ৰথমবাৰ ভাৰতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ জেইছ্-ই-মহম্মদ আৰু লস্কৰ-এ-তৈয়বাৰ গোপন ঘাঁটিত নিখুঁটভাৱে আক্ৰমণ কৰিছে আৰু বিশ্বই ইয়াৰ প্ৰমাণো বিচৰা নাই। এয়া ভাৰতৰ বৰ্ধিত শক্তি আৰু বিশ্ব মৰ্যাদাৰ স্পষ্ট প্ৰদৰ্শন বুলি শ্ৰীধনখড়ে মন্তব্য কৰে। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সামৰিক সফলতা অৰ্জন কৰাই নহয়, বৰং কূটনৈতিক জয়ো লাভ কৰিছে। ব্ৰহ্মোছ আৰু আকাশ ক্ষেপনাস্ত্ৰকে ধৰি দেশৰ সামৰিক সামৰ্থৰ কথা এতিয়া বিশ্বয়ো স্বীকাৰ কৰিছে বুলি শ্ৰীধনখড়ে প্ৰকাশ কৰে।

০০০০০

ভাৰত আৰু পাকিস্তানে নিয়ন্ত্ৰণ ৰেখাত উত্তেজনা হ্ৰাস কৰাৰ বাবে আস্থা গঢ়াৰ ব্যৱস্থা অব্যাহত ৰাখিব বুলি ভাৰতীয় সেনাই প্ৰকাশ কৰিছে। ১০ মে'ত ভাৰত আৰু পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানদ্বয়ৰ মাজত হোৱা বুজাবুজি অনুসৰি এই ব্যৱস্থ গ্ৰহণ কৰা হৈছে।

০০০০০

মিজোৰামৰ কৃষি পদ্ধতি জনজাতীয় জীৱন শৈলীৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে আৰু ৰাজ্যখনৰ উন্নয়নত কৃষি খণ্ডই বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যখনত উদ্যান শস্য মহাবিদ্যালয়ৰ বিদ্যায়তনিক চৌহদ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মুকলি কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে তেতেলী, সুমথিৰা, কল, আম, মাটিকঁঠাল, বিলাহী, বেঙেনা আৰু লতাজাতীয় পাচলিকে ধৰি ভালেমান পাচলিৰ বাবে ৰাজ্যখনৰ জলবায়ু খুবেই অনুকূল। অৱশ্যে ৰাজ্যখনৰ কৃষি উৎপাদনৰ বাবে পৰ্যাপ্ত বৰষুণ হোৱা স্বত্বেও মুঠ কৃষিভূমিৰ ৪ দশমিক ৫ শতাংশহে কৃষিৰ বাবে ব্যৱহাৰ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছ পৰিদৰ্শন কৰি ছত্তিশগড় আৰু তেলেংগানা সীমান্তত কৰেগুট্টা পাৰ্বত্য অঞ্চলত চলোৱা ২১ দিন জোৱা নক্সাল বিৰোধী অভিযানত আহত সুৰক্ষা কৰ্মীসকলৰ স্বাস্থ্যৰ বুজ লয়। শ্ৰীশ্বাহে সামাজিক মাধ্যম যোগে কয়, যে সুৰক্ষা বাহিনীসমূহে অসীম বীৰত্বৰে নক্সালবাদক পুলিয়ে পোখাই উৎখাত কৰাৰ কামত ব্ৰতী হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে পৰিদৰ্শন কালত তেওঁ সুৰক্ষা কৰ্মীসকলৰ স্বাস্থ্যৰ বুজ লয় আৰু সমগ্ৰ দেশে তেওঁলোকক লৈ ভৰষা আৰু গৰ্ব কৰে বুলি প্ৰকাশ কৰে।

০০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমীৰ জেলেনস্কিয়ে ইস্তানবুলত ৰাছিয়াৰ সৈতে হ'বলগীয়া শান্তিবাৰ্তাত অংশগ্ৰহণ নকৰে বুলি ঘোষণা কৰিছে। অৱশ্যে দুয়ো দেশৰ মাজৰ উত্তেজনা হ্ৰাস কৰাৰ বাবে শ্ৰীজেলেনস্কিয়ে প্ৰতিৰক্ষা মন্ত্ৰী ৰুস্তেম উমেৰ'ভৰ নেতৃত্বত এটা প্ৰতিনিধি দল প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কালি আংকাৰাত কয়, যে

ইউক্ৰেইন আলোচনাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। ৰাছিয়াৰ অভিপ্ৰায়ক লৈ সন্দেহ প্ৰকাশ কৰি শ্ৰীজেলেনস্কিয়ে মস্কোৰ প্ৰতিনিধি মণ্ডলত মূল সিদ্ধান্ত গ্ৰহণকাৰীৰ অনুপস্থিতিৰ বিষয়টো উত্থাপন কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'য়ো এই বহু প্ৰত্যাশিত আলোচনাত অংশগ্ৰহণ নকৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে কৈছে যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন পোনপটীয়া আলোচনাত মিলিত নোহোৱালৈকে প্ৰকৃত অগ্ৰগতিৰ আশা কৰিব নোৱাৰি।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন দেওবাৰে ইউক্ৰেইনৰ সৈতে পোনপটীয়া আলোচনা পুনৰ আৰম্ভ কৰাৰ প্ৰস্তাৱ দিয়াৰ পাছত ইস্তানবুলত আলোচনাৰ আয়োজন কৰা হৈছে। অৱশ্যে পাছত ৰাছিয়াই ৰাষ্ট্ৰপতি পুটিনে আলোচনাত অংশগ্ৰহণ নকৰে বুলি ঘোষণা কৰিছিল আৰু পুটিনৰ পৰিৱৰ্তে ৰাষ্ট্ৰপতিৰ সহযোগী ভ্লাডিমীৰ মেডিনস্কিয়ে আলোচনাত প্ৰতিনিধিত্ব কৰিব বুলি ক্ৰেমলিন মহলে প্ৰকাশ কৰিছিল। শান্তি আলোচনা আজি অনুষ্ঠিত হোৱাৰ কথা। ২০২২ চনত যুদ্ধ আৰম্ভ হোৱাৰ পাছত ইস্তানবুল আলোচনা ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত প্ৰথম পোনপটীয়া আলোচনা হ'ব।

ooooo

লণ্ডনৰ উচ্চ ন্যায়ালয়ে হীৰা ব্যৱসায়ী নীৰৱ মোদীৰ শেহতীয়া জামিন আৱেদন খাৰিজ কৰিছে। নীৰৱ মোদী সম্প্ৰতি লণ্ডনৰ কাৰাগাৰত বন্দী হৈ আছে। ১৩ হাজাৰ কোটি টকীয়া পঞ্জাব নেচনেল বেংক প্ৰৱঞ্চনা গোচৰত নীৰৱ মোদী আৰু তেওঁৰ মামা মেহুল চকছিক ভাৰতত বিচাৰি থকা হৈছে। নীৰৱ মোদীয়ে কালি লণ্ডনৰ আদালতত প্ৰত্যৰ্পণ আৱেদন সন্দৰ্ভত ৰায় নিদিয়ালৈকে জামিনত মুকলি কৰি দিবলৈ অনুৰোধ জনাইছিল।

ooooo

ভাৰত আৰু ইউৰোপীয় সংঘই সাগৰীয় প্লাষ্টিক আৱৰ্জনা নিষ্কাশন তথা ৱেষ্ট-টু-হাইড্ৰ'জেন অৰ্থাৎ আৱৰ্জনাক হাইড্ৰজেনলৈ ৰূপান্তৰকৰণ প্ৰযুক্তি বিকাশৰ লক্ষ্যৰে ৩৯১ কোটি টকাৰ যৌথ বিনিয়োগেৰে দুটা বৃহৎ গৱেষণা আৰু উদ্ভাৱন পদক্ষেপ গ্ৰহণ কৰিছে। বিশ্বব্যাপী প্ৰচেষ্টা চলাই থকা স্বত্ত্বেও সাগৰীয় প্ৰদূষণে জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি কঢ়িওৱাৰ উপৰি পৰিৱেশতন্ত্ৰ বিঘ্নিত কৰি মানুহৰ স্বাস্থ্যৰ ওপৰতো প্ৰভাৱ পেলাই আহিছে। ইয়াৰ প্ৰতিকাৰস্বৰূপে, ভাৰত আৰু ইউৰোপীয় সংঘই সাগৰীয় প্ৰদূষণৰ বিৰুদ্ধে যুঁজিবলৈ এটি সহযোগিতামূলক কাৰ্যসূচী আৰম্ভ কৰিছে, য'ত বিশেষকৈ সাগৰীয় প্লাষ্টিক আৱৰ্জনাৰ উদ্বেগজনক বিষয়টোত গুৰুত্ব আৰোপ কৰা হৈছে। দ্বিতীয়টো যৌথ পদক্ষেপৰ মাধ্যমেৰে আৱৰ্জনাসমূহ সেউজ হাইড্ৰ'জেনলৈ ৰূপান্তৰিত কৰা প্ৰযুক্তিৰ বিকাশেৰে বহনক্ষম শক্তি সমাধানৰ জৰুৰী প্ৰয়োজনীয়তা পূৰণৰ লক্ষ্য লোৱা হৈছে। স্বচ্ছ শক্তিৰ দিশত বিশ্বব্যাপী আগ্ৰহ বৃদ্ধিৰ সময়তে জৈৱিক আৱৰ্জনাক হাইড্ৰজেনলৈ ৰূপান্তৰিত কৰা পদক্ষেপে বহনক্ষমতাৰ লক্ষ্যত উপনীত হোৱাৰ দিশত অৰিহণা যোগোৱাৰ আশা কৰা হৈছে।

এই সহযোগিতাৰ প্ৰশংসা কৰি চৰকাৰৰ প্ৰধান বৈজ্ঞানিক উপদেষ্টা অজয় কুমাৰ ছুদে সহযোগিতামূলক গৱেষণাক উদ্ভাৱনৰ মূল ভেঁটি বুলি মন্তব্য কৰি বিষয়টোত গুৰুত্ব আৰোপ কৰে। তেওঁ

কয় যে, এই পদক্ষেপসমূহে ভাৰতীয় আৰু ইউৰোপীয় গৱেষকৰ শক্তিক ব্যৱহাৰ কৰি উভয়ৰে পৰিৱেশজনিত প্ৰত্যাহ্বানসমূহ সমাধানৰ পথ প্ৰশস্ত কৰিব।

ooooo

ভাৰত আৰু হণ্ডুৰাছৰ মাজত বিগত তিনিটা দশকত অৰ্থনৈতিক সম্পৰ্ক ক্ৰমাৎ বৃদ্ধি পাইছে আৰু দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য ৩০ কোটি ডলাৰৰো অধিক হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ. জয়শংকৰে প্ৰকাশ কৰিছে। দিল্লীত কালি হণ্ডুৰাছৰ বিদেশ মন্ত্ৰী এডুৱাৰ্দো এনৰিক ৰেইনা গাৰ্ছিয়াৰ সৈতে যৌথভাৱে দেশখনৰ দূতাবাস মুকলি কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ লগতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত সমবেদনা প্ৰকাশ কৰি জাৰি কৰা বিবৃতিৰ বাবে হণ্ডুৰাছৰ শলাগ লয়। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত হণ্ডুৰাছৰ দূতাবাস মুকলি কৰা কাৰ্যই বাণিজ্যিক প্ৰসাৰৰ পথ প্ৰশস্থ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ভাৰতৰ মহিলা ক্ৰিকেট দলৰ আসন্ন ইংলেণ্ড ভ্ৰমণৰ বাবে খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে। অহা ২৮ জুনৰ পৰা ২২ জুলাইলৈ হ'বলগীয়া এই ভ্ৰমণকালত দলটোৱে ৫ খন টি-২০ আৰু ৩ খন এদিনীয়া খেলত অংশ ল'ব। হৰমনপ্ৰীত কৌৰে এদিনীয়া আৰু টি-২০ দুয়োটা দলক নেতৃত্ব দিব আৰু স্মৃতি মান্ধানাই উপ অধিনায়কৰ দায়িত্ব নিৰ্বাহ কৰিব।

১৫ জনীয়া টি-২০ দলত শেফালী বাৰ্মা, জেমিমা ৰড্ৰিগে'জ, দীপ্তি শৰ্মাৰ দৰে প্ৰধান খেলুৱৈসকলক ৰখাৰ লগতে ৰিচা ঘোষ আৰু য়স্তিকা ভাটিয়াক উইকেটৰক্ষকৰ দায়িত্ব দিয়া হৈছে। এদিনীয়া শৃংখলাৰ বাবে ঘোষণা কৰা ১৬ জনীয়া দলটোত টি-২০ দলটোৰ প্ৰায় আটাইকেইগৰাকী খেলুৱৈৰ সৈতে প্ৰতীকা ৰাৱাল আৰু তেজল হাছাব্-নিছক স্থান দিয়া হৈছে।

অহা ২৮ জুনত ট্ৰেণ্ট ব্ৰীজত প্ৰথম টি-২০ খেলখন খেলোৱা হ'ব।

ooooo

**সমাপ্ত**